**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-06-2024
**Time :** 0900 Hrs

*Assamese Morning Bulletin*
**HEADLINES**

১।	অষ্টাদশ লোকসভা অধিবেশনৰ প্ৰথমদিনাই নৱ-নিৰ্বাচিত সদস্যসকলৰ পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত গ্ৰহণ। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈসহ অসমৰ ৯গৰাকীয়ে ল'লে অসমীয়া ভাষাত শপত।

২।	ৰাজ্য চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মহাবিদ্যালয় পৰ্যায়ত শিক্ষাৰ্থীক পিতৃ-মাতৃৰ আয়ৰ প্ৰমাণপত্ৰৰ পৰিৱৰ্তে ৰেচন কাৰ্ড দাখিলেৰেও বিনামূলীয়া নামভৰ্তিৰ সুবিধা।

৩।	বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত। ৯ খন জিলাৰ ২ লক্ষাধিক লোক বানৰ কবলত।

৪।	প্ৰথমগৰাকী অসমীয়া ৰিয়ান পৰাগৰ ভাৰতীয় পুৰুষ ক্ৰিকেট দলত স্থান লাভ। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্বৰ শৰ্মাৰ শুভেচ্ছা।

**আৰু**

৫।	ভাৰতৰ আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ।

0000000

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন কালি আৰম্ভ হৈছে। অধিৱেশনৰ পূৰ্বে ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অস্থায়ী অধ্যক্ষ ভাৰ্তুহাৰি মহতাবক শপত বাক্য পাঠ কৰোৱায়। অধিৱেশনত প্ৰথমে নৱ-নিৰ্বাচিত সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰথমে সদনৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। অস্থায়ী অধ্যক্ষ ভাৰ্তুহাৰি মহতাবে শ্ৰীমোডীক শপতবাক্য পাঠ কৰোৱায়। ইয়াৰ পাছত স্থায়ী অধ্যক্ষ নিৰ্বাচন নোহোৱা পৰ্যন্ত শ্ৰীমহতাবক সহায় কৰিবলৈ নিযুক্তি দিয়া অধ্যক্ষ পেনেলৰ শপত গ্ৰহণ কৰোৱা হয়। বিজেপিৰ সাংসদ ৰাধামোহন সিং আৰু ফগ্গন সিং কুলাষ্টে অধ্যক্ষ পেনেলৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। অৱশ্যে কংগ্ৰেছৰ সাংসদ কে সুৰেশ, ডি এম কে সাংসদ টি আৰ বালু আৰু তৃণমূল কংগ্ৰেছৰ সুদীপ বন্দোপধ্যায়ে পেনেলৰ সদস্য হিচাপে শপত লোৱাৰ পৰা বিৰত থাকে। ইয়াৰ পাছতে কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, শিৱৰাজ সিং চৌহান, নীতিন গাডকাৰীকে ধৰি অনান্য মন্ত্ৰীসকলে লোকসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। অসমৰ ৯গৰাকী সাংসদে অসমীয়া ভাষাত শপত গ্ৰহণ কৰে। তেওঁলোক হ'ল কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল,যোৰহাটৰ সাংসদ গৌৰৱ গগৈ,কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত, লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন আৰু বৰপেটাৰ সাংসদ ফণীভূষণ চৌধুৰী। আনহাতে দৰং-ওদালগুৰি সমষ্টিৰ দিলীপ শইকীয়াই সংস্কৃত ভাষাত, শিলচৰ সাংসদ পৰিমল শুক্লবৈদ্যই বাংলা ভাষাত, কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে বড়ো ভাষাত, কৰিমগঞ্জৰ সাংসদ কৃপানাথ মাল্লা আৰু ডিফুৰ সাংসদ অমৰ সিং তিচ'ই ইংৰাজী ভাষাত শপত লয়। কালি অধিৱেশনত দেশৰ কেইবাজনো সাংসদে আঞ্চলিক ভাষাত

শপত গ্ৰহণ কৰে। কে ৰামমোহন নাইডুৱে তেলেগু ভাষাত, কেন্দ্ৰীয় মন্ত্ৰীদ্বয় এইছ ডি কুমাৰাস্বামী আৰু প্ৰহ্লাদ যোশীয়ে কানাড়া ভাষাত শপত গ্ৰহণ কৰাৰ বিপৰীতে ধৰ্মেন্দ্ৰ প্ৰধান আৰু জুৱেল ওৰামে ওড়িয়া ভাষাত শপত গ্ৰহণ কৰে। ইপিনে, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ শপত গ্ৰহণৰ সময়ত বিৰোধী দলৰ সদস্যসকলে চিকিৎসা বিজ্ঞানৰ প্ৰৱেশ পৰীক্ষাত হোৱা ত্ৰুটি সন্দৰ্ভত শ্ল'গান দি হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি কৰে। লোকসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন হোৱাৰ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা বৃহস্পতিবাৰে সংসদৰ দুয়োখন সদনৰে যুটীয়া বৈঠকত ভাষণ দিব। সেইদিনাই ৰাজ্যসভাৰ অধিবেশন আৰম্ভ হ'ব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাক ৰাজ্যসভাত দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হৈছে। কালি অধিবেশনৰ কাৰ্যসূচী স্থগিত ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে ৩ জুলাইত সংসদৰ অধিবশনৰ সামৰণি পৰিব।

ইপিনে, লোকসভা অধিবেশনৰ প্ৰথম দিনাই বিৰোধী দলৰ সদস্যসকলে সংবিধানৰ প্ৰতিলিপি লৈ সংসদ ভৱনৰ চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, সংসদীয় দলৰ সভানেত্ৰী ছোনিয়া গান্ধী, ৰাহুল গান্ধী, সমাজবাদী পাৰ্টিৰ অখিলেশ যাদৱ, তৃণমূল কংগ্ৰেছৰ সাংসদ কল্যাণ বেনাৰ্জীকে ধৰি কেইবাগৰাকী সদস্যই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

0000000

ৰাজ্য চৰকাৰৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত মহাবিদ্যালয় পৰ্যায়ত বিনামূলীয়া নামভৰ্তিৰ সুবিধা লাভ কৰিব বিচৰা শিক্ষাৰ্থীসকলে পিতৃ-মাতৃৰ আয়ৰ প্ৰমাণপত্ৰৰ পৰিৱৰ্তে পৰিয়ালৰ ৰেচন কাৰ্ডো দাখিল কৰিব পাৰিব। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি এই কথা ঘোষণা কৰে। তেওঁ কয় যে এই সন্দৰ্ভত মহাবিদ্যালয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰা অনুসৰি এই আঁচনিৰ অধীনত প্ৰাদেশিকীকৃত তথা চৰকাৰী মহাবিদ্যালয়সমূহ আৰু ৰাজ্যিক বিশ্ববিদ্যালয়সমূহত ৪ বছৰীয়া স্নাতক পাঠ্যক্ৰমত প্ৰায় ৫৭ হাজাৰতকৈ অধিক শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিছে। তেওঁ কয় যে আৰু ৫০ হাজাৰ শিক্ষাৰ্থীয়ে এই আঁচনিৰ সুবিধা লাভ কৰিব বুলি আশা কৰা হৈছে।

0000000

বতৰ ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও ৯খন জিলাৰ ২২ টা ৰাজহ চক্ৰৰ ৭৯৩ খন গাঁৱৰ ২ লাখ ৪ হাজাৰ ৮৯৬ গৰাকী লোক ক্ষতিৰ সন্মুখীন হৈছে। বানত ১৭ হাজাৰৰো অধিক পশুধনৰ ক্ষতি হৈছে। আনহাতে, এই বানত ৪ হাজাৰ ২৭৪ হেক্টৰো অধিক কৃষিভূমি প্লাৱিত হৈ আছে। বানৰ কবলত পৰা লোকৰ বাবে ১০৭টা আশ্ৰয় শিবিৰ আৰু ১০৪টা সাহায্য বিতৰণ কেন্দ্ৰ সক্ৰিয় ৰখা হৈছে। ইফালে, কুশিয়াৰা নৈৰ জলপৃষ্ঠ বিপদ সীমাৰ ওপৰত বৈ আছে। কালি কাছাৰ জিলাৰ এজন লোকৰ বানপানীত মৃত্যু হয়। ইফালে জলসম্পদ বিভাগ আৰু কৰিমগঞ্জ জিলাৰ অভিভাৱক মন্ত্ৰী পীযুষ হাজৰিকাই কালি জিলাখনত উপস্থিত হৈ অহা পাঁচ দিনৰ ভিতৰত বৰাক উপত্যকাৰ ছিগা মথাউৰিসমূহ মেৰামতি কৰিবলৈ জলসম্পদ বিভাগক নিৰ্দেশ দিয়ে। আনহাতে, নলবাৰী জিলাৰ সামগ্ৰিক বান পৰিস্থিতি স্বাভাৱিক হ'লেও টিহু ৰাজহ চক্ৰৰ অন্তৰ্গত ভোজকুছি, বালাবৰী ক্ষেত্ৰাপাৰা, ঘোপা, পশ্চিম নলবাৰীৰ আমনি, বৰবিলা, পূৰ্ণি, খেলুৱাকে ধৰি বহু অঞ্চলৰ পৰিস্থিতি স্বাভাৱিক হোৱা নাই।

0000000

অসম চৰকাৰে গুৱাহাটী জিলা পুথিভঁৰালটো নতুন আন্তঃগাঁথনিৰে উন্নীতকৰণ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ৫১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ভৱনটোত চাৰিটা পুথিভঁৰাল মহলা, তিনিটা সাধাৰণ অধ্যয়ন ক্ষেত্ৰ, কিতাপৰ বিপণী, কেফেটেৰিয়া, পাৰ্কিং সুবিধা তথা পঢ়ুৱৈ আৰু দৰ্শনাৰ্থীৰ বাবে বিভিন্ন সুবিধা ৰখা হ'ব। সাম্প্ৰতিক সময়ৰ উপযোগী হোৱাকৈ পুথিভঁৰালটো গঢ়ি তোলা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

0000000

ভাৰতীয় ক্রিকেট নিয়ন্ত্রণ পৰিষদ বি চি চি আই-এ জিম্বাবুৱেৰ বিৰুদ্ধে হ'বলগীয়া শৃংখলাৰ বাবে ভাৰতীয় দলৰ সদস্যসকলৰ নাম ঘোষণা কৰিছে। দলটোৱে জিম্বাবুৱেৰ বিৰুদ্ধে অহা মাহত ৫ খনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্রিকেট শৃংখলাত অংশগ্রহণ কৰিব। শৃংখলাৰ আটাইকেইখন খেল হাৰাৰে স্পোর্টছ্ ক্লাব খেলপথাৰত খেলোৱা হ'ব। খেলকেইখন অহা ৬, ৭, ১০, ১৩ আৰু ১৪ জুলাইত অনুষ্ঠিত হ'ব। কালি কৰা ঘোষণা অনুসৰি দলত স্থান লাভ কৰা খেলুৱৈ সকল হ'ল— শুভমন গীল, যশস্বী জয়ছোৱাল, ৰুতুৰাজ গায়কোৱাড়, অভিষেক শৰ্মা, ৰিংকু সিং, সঞ্জু ছেমছন, ধ্রুৱ জুৰেল, নীতিশ ৰেড্ডী, ৰিয়ান পৰাগ, ৱাসিংটন সুন্দৰ, ৰবি বিষ্ণয়, আবেশ খান, খলিল আহমেদ, মুকেশ কুমাৰ আৰু তুষাৰ দেশপাণ্ডে।

ৰিয়ান পৰাগ হ'ল ভাৰতীয় পুৰুষ ক্রিকেট দলত স্থান লাভ কৰা অসমৰ প্ৰথমগৰাকী খেলুৱৈ। এই কৃতিত্বৰ বাবে খেলুৱৈগৰাকীক কালি অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন জ্ঞাপন কৰে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে, উন্নত প্ৰদৰ্শনেৰে নিৰ্বাচক তথা সমালোচকৰ দ্বাৰা প্ৰশংসিত হৈ অহা ৰিয়ান পৰাগৰ এই খবৰে তেওঁক উৎফুল্লিত কৰি তুলিছে। খেলুৱৈগৰাকীক কৃতকাৰ্যতাৰ যাত্ৰা অব্যাহত ৰাখিবলৈ তেওঁ শুভেচ্ছা জ্ঞাপন কৰে।

0000000

ভাৰতীয় মহিলা হেণ্ড বল দলৰ লখিমপুৰৰ মৃদুস্মিতা লাগাছু'ৱে স্থান লাভ কৰিছে। লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰীগৰাকীৰ এই সাফল্যই সমগ্ৰ ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। অহা ২৭ জুনৰ পৰা বাংলাদেশৰ ঢাকাত অনুষ্ঠিত হ'বলগীয়া ইণ্ড-বাংলাদেশ হেণ্ড বল প্ৰতিযোগিতাত মৃদুস্মিতাই দেশৰ হৈ প্ৰতিনিধিত্ব কৰিব।

0000000

কেন্দ্ৰীয় চৰকাৰে দেশৰ চোৰাংচোৱা সংস্থাৰ সঞ্চালক তপন কুমাৰ ডেকাৰ কাৰ্যকাল এবছৰলৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় কেবিনেটৰ নিযুক্তি কমিটীয়ে ডেকাৰ কাৰ্যকাল বৃদ্ধিত আনুষ্ঠানিকভাৱে অনুমোদন জনোৱাৰ পিছত কৰ্মচাৰী মন্ত্ৰালয়ে এই সন্দৰ্ভত এটা নিৰ্দেশনা জাৰি কৰিছে। উল্লেখযোগ্য যে এই বৰ্ষৰ অহা ৩০ জুনত তেওঁৰ চাকৰিৰ ম্যাদ উকলাৰ সময় আছিল। হিমাচল প্ৰদেশ কেডাৰৰ ১৯৮৮ বেটছৰ আই পি এছ বিষয়া ডেকাই চোৰাং চোৱা সংস্থাৰ সঞ্চালকৰূপে দক্ষতাৰে সেৱা আগবঢ়াই অহাৰ ফলস্বৰূপে কেন্দ্ৰীয় চৰকাৰে তেওঁৰ কাৰ্যকাল আৰু এবছৰলৈ বৃদ্ধি কৰে।

0000000

নতুন দিল্লীত আজি আন্তঃৰাষ্ট্ৰীয় চেনী সংস্থা পৰিষদৰ ৬৪ সংখ্যক বৈঠক আৰম্ভ হ'ব। বৈঠকত ৩০ খনতকৈও অধিক দেশৰ প্ৰতিনিধিৰ উপৰি কেইবাটাও আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ প্ৰতিনিধিয়ে চেনী আৰু জৈৱ ইন্ধন খণ্ডৰ বিষয় লৈ আলোচনাত মিলিত হয়। এই তিনিদিনীয়া বৈঠকত অংশগ্ৰহণ কৰা প্ৰতিনিধিবৰ্গক জৈৱ ইন্ধন খণ্ডত দেশে গ্ৰহণ কৰা অত্যাধুনিক প্ৰযুক্তি প্ৰদৰ্শন কৰাৰ বাবে উত্তৰ প্ৰদেশৰ মুজাফ্ৰ নগৰত থকা এটা উদ্যোগ পৰিদৰ্শন কৰোৱা হ'ব। বৈঠকৰ সৈতে সংগতি ৰাখি নতুন দিল্লীৰ **ভাৰত মণ্ডপমত** এখন কৰ্মশালাৰো আয়োজন কৰা হৈছে। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা নতুন আৰু নৱীকৰণ যোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে এই কৰ্মশালাখন মুকলি কৰিব।

পৰিষদে চলিত বৰ্ষত ভাৰতক সংস্থাৰ অধ্যক্ষ হিচাপে মনোনীত কৰিছে। উল্লেখযোগ্য যে ভাৰত হৈছে পৃথিৱীৰ ভিতৰতেই চেনীৰ দ্বিতীয় সৰ্বাধিক উৎপাদনকাৰী দেশ। এই সংস্থাৰ অধিনস্থ প্ৰায় ৮৫ খন সদস্য ৰাষ্ট্ৰই পৃথিৱীত মুঠ চেনীৰ প্ৰায় ৯০ শতাংশ উৎপাদন কৰে।

0000000

তিনিচুকীয়া জিলাৰ মাকুম হাপজান উন্নয়ন খণ্ডৰ শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ টেঙাপানী পথস্থিত কাৰ্যালয়ত কালি দুৰ্নীতি নিবাৰক আৰু অপৰাধ অনুসন্ধান শাখাৰ এটা দলে হঠাৎ অভিযান চলায়। অভিযানৰ সময়ত দলটোৱে শিশু উন্নয়ন প্ৰকল্পৰ বিষয়া অনুপমা গোহাঁইক উৎকোচ লোৱাৰ অভিযোগত আটক কৰে। জানিব পৰা মতে মাকুম টেঙাপানীস্থিত কাৰ্যালয়ত অংগনবাড়ী কেন্দ্ৰৰ ঘৰৰ ভাৰা মুকলি কৰাৰ বাবে এগৰাকী অংগনবাড়ী কৰ্মীৰ পৰা ৭ হাজাৰ টকাৰ উৎকোচ

লৈছিল। অনুপমা গোহাঁইৰ কাৰ্যালয়ত দুৰ্নীতি নিবাৰক অপৰাধ অনুসন্ধান শাখাৰ দলটোৱে অভিযান চলোৱাৰ সমান্তৰালকৈ বিষয়াগৰাকীৰ বাহনটো তালাচী চলায় আৰু তেওঁক আটক কৰে।

0000000

কৰ্ণাটকৰ বেংগালুৰুৰ ৰাজীৱ গান্ধী স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডাঃ এম কে ৰমেশে নীটৰ প্ৰশ্নকাকত ফাদিল হোৱা ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে নিৰপেক্ষ তদন্তৰ ব্যৱস্থা কৰিছে বুলি জানিবলৈ দিছে। বেংগালুৰুত কালি আকাশবাণীৰ বাতৰি বিভাগৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত উপাচাৰ্যগৰাকীয়ে কয় যে, পৰীক্ষাসমূহ যাতে নিয়ম মাফিক আৰু স্বচ্ছ পদ্ধতিৰে অনুষ্ঠিত হয়, তাৰ গুৰুদায়িত্ব পৰীক্ষাৰ সৈতে জড়িত সকলোৱে গ্ৰহণ কৰিব লাগিব।

ইপিনে, তদন্তৰ বাবে চি বি আইৰ এটা দল কালি গুজৰাটৰ গোধৰাত উপস্থিত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে, বৰ্তমানলৈ, গোধৰাত কমেও ৩০জন ছাত্ৰ-ছাত্ৰীক প্ৰশ্নকাকত সমাধান কৰাত সহায় কৰাৰ অভিযোগত আৰক্ষীয়ে পাঁচজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে।

0000000

আপোনাৰ হয়তো প্ৰিয়তম বন্ধু এটা ৰেডিঅ'। অথবা আপোনাৰ ঘৰত স্মৃতিৰ জেউতি চৰাই আছে এটি পুৰণি ৰেডিঅ', যাৰ সৈতে এৰি অহা সময়ৰ নজহা নপমা বহু কথা বিজড়িত হৈ আছে। আপোনাৰ এই আপুৰুগীয়া সম্পদটো আনৰ আগতো প্ৰদৰ্শন কৰাৰ বাবে আকাশবাণী গুৱাহাটীয়ে সুযোগ দিব বিচাৰিছে। অহা ১ জুলাইত গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱসত। এই সুযোগ গ্ৰহণ কৰাৰ বাবে কমেও ৩০ বছৰ পুৰণি আপোনাৰ ৰেডিঅ'টিৰ এখন ফটো, গৰাকীৰ নাম, ক্ৰয় কৰাৰ বৰ্ষ আৰু যোগাযোগৰ নম্বৰসহ 60035-40566 WHATSAPP নম্বৰ আৰু AIRGHY@GMAIL.COM ই-মেইল আইডি লৈ ২৮ জুনৰ পূৰ্বে পোৱাকৈ পঠিয়াব পাৰে। নিৰ্বাচিত তিনিগৰাকী অংশগ্ৰহণকাৰীক পুৰস্কৃত কৰা হ'ব।

আকাশবাণী গুৱাহাটীৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু আঞ্চলিক বাতৰি বিভাগৰ ৬৮-সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি উচ্চতৰ মাধ্যমিকৰ পৰা স্নাতকোত্তৰ শাখাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। আগ্ৰহীসকলে আকাশবাণীত প্ৰচাৰৰ উপযোগী বাতৰিৰ এটা ১ মিনিটৰ অডিঅ' বাণীবদ্ধ কৰি নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নামসহ ৯৭১৬৬-৮০৯৬৯ আৰু ৯৬১৯৬-৮৬৬৫৯ নম্বৰলৈ WHATSAPP যোগে প্ৰেৰণ কৰিব পাৰিব। অডিঅ' প্ৰেৰণৰ অন্তিম দিন ২৮ জুনৰ সন্ধিয়া ৭বজা ধাৰ্য কৰা হৈছে। নিৰ্বাচিত তিনিগৰাকী প্ৰতিযোগীক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত পুৰস্কৃত কৰা হ'ব।

0000000

ভাৰতে আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি ছুপাৰ এইট পৰ্যায়ৰ অন্তিমখন খেলত বাংলাদেশ আফগানিস্তানৰ মুখামুখি হৈছে। খেলখনত আফগানিস্তানে টছত জিকি প্ৰথমে বেটিং কৰি আফগানিস্তানক ১১৬ ৰানৰ বিজয়লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি বাংলাদেশে ৩ অভাৰত ৩টা উইকেট হেৰুৱাই ৩১ ৰান সংগ্ৰহ কৰি খেলি আছে।

ভাৰতে আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কালি ছেণ্ট লুছিয়াৰ ডাৰেন ছাম্মী নেচনেল ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ এখন খেলত ভাৰতে অষ্ট্ৰেলিয়াক ২৪ ৰানত পৰাজিত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২০৫ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰোহিত শৰ্মাই সৰ্বাধিক ৯২ ৰান কৰাৰ বিপৰীতে সূৰ্যকুমাৰ যাদৱে ৩১ আৰু শিৱম ডুবে ২৮ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৮১ ৰানহে

কৰিবলৈ সমৰ্থ হয়। অষ্ট্ৰেলিয়াৰ হৈ ট্ৰেভিছ্ হেডে সৰ্বাধিক ৭৬ ৰান কৰে। ৰোহিত শৰ্মাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

0000000

অসম সন্তান ৰিয়ান পৰাগে ভাৰতীয় পুৰুষ ক্ৰিকেট দলত স্থান লাভ কৰা বাতৰিটো নিয়মীয়া বাৰ্তা, দৈনিক অসম, অসমীয়া প্ৰতিদিন, দি আছাম ট্ৰিবিউন, অসমীয়া খবৰকে আদি কৰি প্ৰায়কেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে। নিয়মীয়া বাৰ্তাত এই বাতৰিৰ শিৰোনাম **ভাৰতীয় জাতীয় পুৰুষ ক্ৰিকেট দলত প্ৰথমজন অসম সন্তান-ইতিহাস ৰচি মেন ইন ব্লুত ৰিয়ান পৰাগ।**

কালি নৱগঠিত অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন আৰম্ভ হোৱা আৰু অধিৱেশনত নৱনিৰ্বাচিতসকলৰ পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতগ্ৰহণৰ বাতৰিটোক অসমীয়া প্ৰতিদিন, দ্যা ছেণ্টিনেল, দৈনিক অসমকে আদি কৰি আন কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। দা ছেণ্টিনেলৰ শিৰোনাম- **18TH LOK SABHA IS A PATH TO AMRIT KALL : PM MODI** ।

অসমত বিগত ৫ বছৰত বেংকত জমা ধনৰ পৰিমান ৩১ শতাংশলৈ বৃদ্ধি হোৱা বাতৰিটো দৈনিক অসম কাকতে **৫ বছৰত ৩১ শতাংশ বৃদ্ধি বেংকত জমাধনৰ পৰিমান** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ মহাবিদ্যালয়সমূহত প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত বিনামূলীয়া নামভৰ্তিৰ ক্ষেত্ৰত শিক্ষাৰ্থীৰ আয়ৰ প্ৰমাণপত্ৰ অবিহনে ৰেচন কাৰ্ড গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কলেজ কৰ্তৃপক্ষক নিৰ্দেশ দিয়া বাতৰিটোক অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কামাখ্যা ধামত অনুষ্ঠিত অম্বুবাচী মেলাত দেশী-বিদেশী ভক্তৰ সমাগমৰ বাতৰিটো অসমীয়া খবৰ কাকতে **লোকাৰণ্য অম্বুবাচী মেলা - মায়াময় নীলাচল, চৌদিশে আধ্যাত্মিক পৰিৱেশ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – অসমৰ ১৪ গৰাকী সাংসদৰ শপতগ্ৰহণ, অষ্টাদশ লোকসভাত বিভিন্ন বৃত্তিধাৰী সাংসদ, নীট বাতিল কৰি পুৰণি পৰীক্ষা পদ্ধতি অব্যাহত ৰাখিবলৈ আহ্বান-প্ৰধানমন্ত্ৰী পত্ৰ মমতা বেনাৰ্জীৰ, অনলাইন ট্ৰেডিঙৰ নামত ভুৱা কোম্পানীৰ প্ৰৱঞ্চনা, অস্তিত্বৰ সংকটত অসম সাহিত্য সভা, চিকিৎসাত গাফলতি-ছিপাঝাৰত সৰ্পদংশনত প্ৰাণ গ'ল চতুৰ্থ শ্ৰেণীৰ প্ৰিন্সিৰ, ভাৰতীয় মহিলা হেণ্ডবল দলত অন্তৰ্ভুক্ত লখিমপুৰৰ মৃদুস্মিতা লাগাছু ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন। 0000000

**সমাপ্ত**